# অসম জাতীয় বিদ্যালয়

## নুনমাটি, গুৱাহাটী ৭৮১০২০

তাৰিখ : ০৫/১১/২০১৬

---

# অসম জাতীয় বিদ্যালয়ত ‘ভূপেন হাজৰিকা দিৱস’ উদ্‌যাপন

নুনমাটি, গুৱাহাটী ৫ নৱেম্বৰ, ২০১৬ চন : নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত আজি ড° ভূপেন হাজৰিকাদেৱৰ পঞ্চম মৃত্যুবাৰ্ষিকীৰ লগত সংগতি ৰাখি ৫ নৱেম্বৰত সুধাকণ্ঠলৈ প্ৰণিপাত জনাই ‘ভূপেন হাজৰিকা দিৱস’ উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয় সুধাকন্ঠ ভূপেন হাজৰিকাদেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্জ্বলনেৰে। বন্তি প্ৰজ্জ্বলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে। বিদ্যালয়ৰ শিক্ষয়িত্ৰী ড° ময়ূৰী শইকীয়াই ড° ভূপেন হাজৰিকাদেৱৰ বিভিন্ন সৃষ্টিৰাজিক সোঁৱৰণ কৰি অনুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যা কৰে। এই অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট শিল্পী জিতেন শৰ্মা। তেখেতে সুধাকণ্ঠৰ গীত আৰু কথাৰে তেওঁক সোঁৱৰণ কৰি উপস্থিত সকলোকে আপ্লুত কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ শিক্ষয়িত্ৰী ডিম্পী সন্দিকৈয়ে ‘ড° ভূপেন হাজৰিকাৰ গীতত জনজাতীয় জীৱন আৰু পাহাৰ-ভৈয়ামৰ সম্প্ৰীতি’ শীৰ্ষক এক বক্তৃতা প্ৰদান কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে ড° হাজৰিকাদেৱৰ ৰচিত এটি গীত পৰিৱেশন কৰি তেওঁক সোঁৱৰণ কৰে। সুধাকণ্ঠগৰাকীক সোঁৱৰণ কৰি অনুষ্ঠিত কৰা এই অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষাৰ্থী আৰু শিক্ষকে নৃত্য-গীত আৰু বাদ্যৰ নানা মনোৰঞ্জনমূলক সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানটিৰ আঁত ধৰে দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী চিন্ময় বৈশ্য আৰু অষ্টম শ্ৰেণীৰ শিক্ষাৰ্থী সুগন্ধি প্ৰাপ্তি গগৈয়ে। অনুষ্ঠানৰ শলাগৰ শৰাই আগবঢ়াই উপাধ্যক্ষা উদয়া ফুকনে। সমগ্ৰ অনুষ্ঠানটিৰ আহ্বায়কৰ দায়িত্বত থাকে শিক্ষক কুঞ্জৰ দাস।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়
০৫/১১/২০১৬